নং ঃ ৪২২/২০২০

**ক'ভিড-১৯ ৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# অধিক নমুনা পৰীক্ষা কৰাৰ বাবে স্বাস্থ্য বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১২ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক'ভিড-১৯ ৰ নমুনা পৰীক্ষা অধিক বৃদ্ধি কৰিবলৈ আজি স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কনটেইণমেণ্ট জ'ন, কোৱাৰেণ্টীন চেণ্টাৰসমূহত স্বাস্থ্য বিভাগৰ নিৰ্দেশাৱলী যাতে সুনিশ্চিতভাৱে পালন কৰা হয় তাৰ বাবেও যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ শেহতীয়া ক'ভিড-১৯ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ দিয়ে।

এই বৈঠকত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিহত কৰা আৰু কৰ'না ভাইৰাছৰ দ্বাৰা আক্ৰান্ত লোকসকলক আগবঢ়োৱা চিকিৎসা, কোৱাৰেণ্টীন চেণ্টাৰ, কনটেইণমেণ্ট জ'নত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়। বৈঠকত গুৱাহাটী মহানগৰীকে ধৰি বিভিন্ন চহৰসমূহত ক'ভিড-১৯ আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱা আৰু এই সন্দৰ্ভত ল'বলগীয়া ব্যৱস্থাৱাজিৰ সম্পৰ্কতো বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত ক'ভিড-১৯ ৰ সন্দৰ্ভত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৱলীত সন্তোষ প্ৰকাশ কৰাৰ লগতে এই ৰোগৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে আৰু অধিক শক্তিশালী পদক্ষেপ গ্ৰহণৰ পোষকতা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে নিৰীক্ষণ ব্যৱস্থাটো অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বাহিৰৰ পৰা অসমলৈ অহা লোকসকলৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশাৱলী যাতে কঠোৰভাৱে বলৱৎ কৰা হয় সেই দিশত গুৰুত্ব আৰোপ কৰে।

বৈঠকত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য বিভাগে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে নমুনা পৰীক্ষা কৰাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰি কয় যে ৰাজ্যখনত অহা ৩-৪ দিনৰ ভিতৰতে ১৫ টা পৰীক্ষাগাৰৰ জৰিয়তে পৰীক্ষা কৰাটো সম্ভৱ হৈ উঠিব। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনত কৰ'না সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাৱাজিৰ সম্পৰ্কতো মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই মুখ্যমন্ত্ৰীক অৱগত কৰে যে ৰাজ্যখনত আজি পৰ্যন্ত ৭২ টা কনটেইণমেণ্ট জ'ন ঘোষণা কৰা হৈছে। প্ৰধান সচিব গৰাকীয়ে লগতে জনায় যে ক'ভিড-১৯ পজিটিভ কেছৰ বাবে ৰাজ্যখনত ১২২৫ খন আইচ'লেশ্যন বেড, সন্দেহজনক ৰোগীৰ বাবে ৪০১ খন আইচ'লেশ্যন বেড, ক'ভিড-১৯ ৰোগীৰ বাবে ১৯২ টা আই চি ইউ, ১৮৩ টা ভেণ্টিলেটৰৰ ব্যৱস্থা উপলব্ধ আছে।

আজিৰ এই বৈঠকত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ড° এছ লক্ষ্মনণকে ধৰি স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**১২/০৬/২০২০**